بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ১৯ জানুৱাৰীত মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

সকলো বস্তুৱেই ক্ষণস্থায়ী আৰু চিৰস্থায়ী সত্তা হ'ল একমাত্ৰ আল্লাহ তায়লাৰ সত্তা। কিন্তু সৌভাগ্যশীল ব্যক্তি হ'ল সেই সকল লোক যি সকলে আল্লাহ প্ৰদত্ত এই পাৰ্থিৱ জীৱণটোক সফল কৰিবলৈ চেষ্টা কৰে আৰু আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিবলৈ চেষ্টা কৰে।

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; দুদিন মান আগত ছিলছিলাৰ এজন একনিষ্ঠ সেৱক মহতৰম চাহাবজাদা মিৰ্জা খোৰশিদ আহমদ চাহাবৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। তেখেতক আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে আধ্যাত্মিক আৰু নৈসৰ্গিক সম্পৰ্কৰ সন্মান দান কৰিছে এয়া হ'ল আল্লাহ তায়লাৰ আইন যে যিয়ে এই ধৰা ধামলৈ আহিব তেওঁএদিন এই পৃথিৱীখন এৰি যাব লাগিব। সকলো বস্তুৱেই ক্ষণস্থায়ী আৰু চিৰস্থায়ী সত্তা হ'ল একমাত্ৰ আল্লাহ তায়লাৰ সত্তা। কিন্তু সৌভাগ্যশীল ব্যক্তি হ'ল সেই সকল লোক যি সকলে আল্লাহ প্ৰদত্ত এই পাৰ্থিৱ জীৱণটোক সাফ্যল্য মণ্ডিত কৰিবলৈ চেষ্টা কৰে আৰু আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে এই কথাখিনি ভালদৰে বুজি পায় যে কোনো নেক মানুহ অথবা অলি নাইবা নবীৰ সৈতে বাহ্যিক সম্পৰ্ক এটা গঢ়ি ললেই জীৱণ সাৰ্থকপূৰ্ণ নহয় বা আল্লাহ তায়লাৰ সন্তুষ্টি অৰ্জনকাৰী হ'ব পৰা নাযায় বৰং মানৱৰ নিজা কাম আৰু আমল আছে, যিবোৰে মানুহ এজনক আল্লাহৰ সন্তুষ্টি অৰ্জন কাৰী বনায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; মই ভালদৰে এই কথাটো জানো আৰু তেখেতৰ লগত মোৰ আত্মীয় সম্পৰ্কও আছিল। মিৰ্জা খোৰশিদ আহমদ চাহাব অতি বিনম্ৰতাৰে নিজৰ ওয়াকফে জীৱণৰ দায়িত্ব পালন কৰিবলৈ চেষ্টাৰত থাকিছিল। কেতিয়াও বংশীয় মৰ্যদাৰ গৌৰৱ কৰা নাছিল। যোৱা বছৰ ইয়াত জলছালৈ আহিছিল আৰু ইয়াৰ জলছাৰ ফলাফল কল্যাণকৰ হোৱাৰ চিন্তা মোলৈ প্ৰকাশ কৰিছিল।

ওয়াকফেৰ তত্ত্বকথা বুজিলৈ কাম কৰোঁতা বুজুৰ্গ আছিল তেখেত। তেখেতৰ মৃত্যু সময়লৈকে বয়স হৈছিল ৮৫ বছৰ। হজৰত মছিহ মাওউদ (আঃ) ৰ ডাঙৰ ল'ৰা (পুতেক) হজৰত মিৰ্জা চুলতান আহমদ চাহাবৰ নাতিয়েক আৰু হজৰত মিৰ্জা আজিজ আহমদ চাহাবৰ পুতেক আছিল তেখেত। হজৰত মিৰ্জা আজিজ আহমদ চাহাব হজৰত মছিহ মাওউদ (আঃ) ৰ সেই নাতিয়েক যিজনে নিজৰ দেউতাকৰ আগতে তেখেত (আঃ) ৰ বয়াত কৰিছিল।

মিৰ্জা খৌৰশিদ আহমদ চাহাৱ ১৯৩২ চনৰ ১২ চেপ্তেম্বৰত লাহোৰত জন্মগ্ৰহন কৰিছিল। ১৯৪৫ চনৰ ২১ এপ্ৰিলত $12\frac{1}{2}$ বছৰ বয়সত ওয়াকফে জিন্দিগীৰ প্ৰপত্ৰ ভৰি দিছিল তেতিয়া তেখেতে নৱম শ্ৰেণীত পঢ়িছিল। কাদিয়ান হাই স্কুলৰ পৰা মেট্ৰিক পাচ কৰি পিছত টি.আই. কলেজত অধ্যয়ন কৰে। তাৰ পিছত হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ নিৰ্দেশ অনুযায়ী লাহোৰ চৰকাৰী মহাবিদ্যালয়ৰ পৰা ইংৰাজিত এম.এ ডিগ্ৰি লয়। ১০ চেপ্তেম্বৰ ১৯৫৬ চনত তেখেত ওয়াকফে জিন্দেগী হিচাপে ৰাবোৱা টি.আই কলেজত যোগদান কৰে আৰু ১৭ বছৰ কাল ইংৰাজী বিভাগত শিক্ষা দানৰ দায়িত্ব পালন কৰে। মইও তেখেতৰ ওচৰত শিক্ষা লাভ কৰিছো। তেখেতে নিজৰ ছাবজেক্টৰ ওপৰত গভীৰ জ্ঞান ৰাখিছিল সেয়ে ছাত্ৰ সকলৰ ওচৰত বৰ প্ৰিয় আছিল। ১৯৬৪ চনত ইংলিচ ফনেটিক কোৰ্চৰ বাবে বৃটিছ কাউন্সিলৰ স্কলাৰশিপত ইংলেণ্ডলৈ আহি এক বছৰ কাল লিড্‌জ ইউনিভাৰছিটিত শিক্ষা আহৰণ কৰে। ১৯৭৪ চনত বিপ্লৱ চলি থকা অৱস্থাত খোৰশিদ আহমদ চাহাবে হজৰত খলিফাতুল মছিহ ছালিছক সহায় সহযোগ কৰে অৰ্থাৎ তিনি মাহ কাল তেখেত (ৰহঃ) ৰ খিদমতৰ বাবে খিলাফত মহলত থাকি যায়। এনেদৰে হজৰত মুচলেহ মাওউদ (ৰাঃ) ৰ অনুমতি সাপেক্ষে ১৯৬২ চনত ৰাবোৱাৰ এতিম আৰু অসহায় ল'ৰা ছোৱালীক চোৱা চিতা আৰু শিক্ষা দীক্ষাৰ বাবে দাৰুল অকামাহ ‘‘আলনুচৰত’’ প্ৰতিষ্ঠা

কৰে। পিছত খলিফাতুল মছিহ ছালিছে এই অনুষ্ঠানৰ নাম ‘‘মদ্দে ইমদাদু তলবা’’ ৰাখে। খোৰশিদ আহমদ চাহাবে এই বিভাগত ১৯৭৮ চনৰ পৰা জুলাই ১৯৮৩ চনলৈ পৰিচালকৰ দায়িত্ব পালন কৰে।

১৯৭৩ চনৰ ৩০ এপ্ৰিলত তেখেতে নাজিৰ খিদমত দৰবেশান নিযুক্ত হয়। ১৯৭৬ চনৰ ১ মে তাৰিখৰ পৰা ১৯৮৮ চনলৈ এডিশ্বন্যাল নাজিৰ আলা হিচাপে খিদমত আগবঢ়ায়। ১৯৮৮ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯১ চনৰ চেপ্তেম্বৰ মাহলৈ নাজিৰ অমুৰ আমাআ আৰু আগষ্ট ১৯৯২ চনৰ পৰা মে ২০০৩ চনলৈ নাজিৰ অমুৰ খাৰজা হিচাপে দায়িত্ব পালন কৰে। আকৌ মোৰ খিলাফতৰ সময় চোৱাত মই তেখেতক নাজিৰ আলা আৰু আমিৰ মোকামি ৰাবোৱাৰ দায়িত্ব অৰ্পন কৰিছিলো। তেখেতে মজলিচ ইফতাৰও সদস্য আছিল। বাৰ, তেৰ, বছৰ কাল কাজা বোৰ্ডৰ সদস্য আছিল। ১৯৭৩ চনত তেখেতে আল্লাহৰ কৃপাত হজলৈ যোৱাৰ সৌভাগ্য লাভ কৰে।

১৯৫৫ চনৰ ২৬ ডিচেম্বৰত খলিফাতুল মছিহ ছানি (ৰাঃ) য়ে তেখেতৰ বিয়া পঢ়ায়। হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে খোতবাত উল্লেখ কৰে যে এইজন ল’ৰা আমাৰ বংশৰ পৰা ওয়াকফে কৰিছে। মিৰ্জা আজিজ আহমদ চাহাবক আল্লাহ তায়লা উক্ত ল’ৰাজনক উচ্চ শিক্ষাত শিক্ষিত কৰাৰ তৌফিক দান কৰিছে। ল’ৰাজন এম.এ অধ্যয়ন কৰি আছে। ইংৰাজী বিষয়ত এম.এ পৰীক্ষা দি আছে। ইংৰাজীত এজন মেধাবী ছাত্ৰ। মই আশা কৰো এওঁ কলেজত অধ্যাপক হিচাপে কাম কৰিব। আকৌ কয় যে এওঁ তৰজমানৰ কামত লাগি দিব পাৰিব।

আল্লাহ তায়লা তেখেতক ছয়জন পুত্ৰ দান কৰিছিল। তাৰে চাৰিজন ওয়াকফে জিন্দেগী আৰু দুজন ডক্টৰ। এজন নজাৰতে তালিমৰ নায়েব নাজিৰ আন এজন মশিৰ কানুনি দফতৰৰ সহকাৰী ৰূপে কাম কৰি আছে। তেওঁ আইন পাচ কৰিছে। এইজনেই ২০০০ চনৰ পৰা ২০০৩ চনলৈ ছদৰ আনছাৰ উল্লাহ (পাকিস্থান) আছিল। খোৰশিদ আহমদ চাহাবৰ পুত্ৰ ডক্টৰ মিৰ্জা চুলতান আহমদ লিখিছে যে মোৰ দেউতায় হজৰত মুচলেহ মাওউদ (ৰাঃ) ক বৰ ভাল পাইছিল। কেই বছৰ আগত তেখেতে কৈছিল যে মই এই দোৱা কৰি আছো, মই যেন ৰাবোৱালৈ যাব পাৰো আৰু হজৰত খলিফাতুল মছিহ ছানিৰ বস্তিত মৃত্যুবৰণ কৰিব পাৰো। এয়াই আছিল ভালপোৱাৰ আত্মপ্ৰকাশ। মৰহুমৰ আন এজন পুতেকে লিখিছে যে, যেতিয়া তেখেতৰ অসুখ আছিল, এদিন ৰাতি অস্থিৰ হৈ উঠি বহে আৰু কয় যে মই সপোনত দেখিলো যে কিছুমান লোকে মুচলেহ মাওউদ (ৰাঃ) ৰ ওপৰত অভিযোগ তুলি কথা কৈ আছে কিন্তু কোনেও তাৰ প্ৰতিবাদ কৰা নাই। সেয়ে বৰ অস্থিৰ হৈ পৰিছো যে মানুহে কিয় কোনো প্ৰতিবাদ কৰা নাই। তেখেতে সদায় কৈছিল যে হজৰত খলিফাতুল মছিহ ছানিৰ প্ৰতি বৰ হিংসা আছিল এনেকি হজৰত মছিহ মাওউদ (আঃ) তকৈ বেছি হিংসা কৰিছিল।

তেখেতৰ ল’ৰা এজনে বৰ্ণনা কৰিছে যে, ১৯৮৪ চনত পাকিস্থানত তুমুল বিৰুধীতাৰ সময়ত হজৰত খলিফাতুল মছিহ ৰাবেৰ যি টীম আছিল তাত তেখেতেও অংশ লৈছিল। যেতিয়া খলিফাতুল মছিহ ৰাবে হিজৰত কৰিছিল তেতিয়া ৰাবোৱাৰ পৰা কৰাচিলৈ তেখেতে সেই দলত অংশ গ্ৰহন কৰিছিল। এনেদৰে অসুখ শৰীৰতেই ২০১০ চনৰ ২৮ মেৰ দিনা সংগঠিত হোৱা হৃদয় বিদাৰক ঘটনাৰ সময়ত বৰ দক্ষতাৰে সকলো ঘটনা চম্ভালিছিল আৰু প্ৰত্যেকজন শ্বহীদৰ জানাজা পঢ়াইছিল। লগতে দাফন কৰাত অংশ লৈছিল।

মৰহুমৰ পুত্ৰ মিৰ্জা আদিল আহমদে লিখিছে যে, মই মকামি ৰাবোৱাৰ ৰিপোৰ্ট লিখি পঠাইছিলো, এদিন অসাৱধানতা বশতঃ আঁহজৰত (ছাঃ) ৰ নাম লগত কেৱল চোৱাত আখৰ লিখিছিলো আৰু হজৰত মছিহ মাওউদ (আঃ) সম্পূৰ্ণ লিখিছিলো। এই বিষয়ে তেখেতে বুজাই দিছিল যে আঁহজৰত (ছাঃ) ৰ নামৰ লগত ছাল্লেল্লাহু আলায়হি ছাল্লাম সম্পূৰ্ণ লিখিবা। সন্মানৰ ফালে দৃষ্টি ৰাখিবা। নমাজৰ প্ৰতি বৰ যত্নবান আছিল। শেষ দিনবোৰত যেতিয়া চিকিৎসালয়ত ভৰ্ত্তি আছিল হঠাৎ দুই এক ওয়াক্ত বাদে সকলো নমাজ সময়মতে পঢ়িছিল।

মৰহুম নাজিৰ আলা আছিল যাৰ দায়িত্ব বৰ গধুৰজমাতি গোচৰ সমুহৰ বিষয়ে তেখেত বৰ চিন্তা মগ্ন থাকিছিল। চিকিৎসালয়ত থকা কালীন অৱস্থাত সুধিছিল অমুক অমুক কেচৰ তাৰিখ কেতিয়া। এনেদৰে নাজিৰ আলা হিচাপে থকা সময়চোৱাত তেখেতে লোকৰ ঘৰত বিয়া সবাহত নিমন্ত্ৰন কৰিলে তালৈ গৈছিল আৰু কৈছিল যে এয়া এতিয়া মোৰ ওপৰত ফৰজ হৈ পৰিছে কাৰণ মই এতিয়া খলিফা ওয়াক্তৰ প্ৰতিনিধিত্ব কৰি আছো। এনেদৰে দুঃখ কষ্টৰ সময়তো লোকৰ ওচৰত গৈ থিয় হৈছিল। অসুখ থকা অৱস্থাতেও সময় মতে অফিচলৈ গৈ সম্পূৰ্ণ সময় খিনিয়ে কাম কৰিছিল। মৰহুম এই সন্মানও লাভ কৰিছিল অৰ্থাৎ হজৰত খলিফাতুল মছিহ ছালিছৰ জানাজা তেখেতে পঢ়োৱাৰ আৰু লাচ মোবাৰক গোচল কৰোৱাৰ সন্মাও লাভ কৰিছিল। যোৱা বছৰ

মৰহুমৰ পত্নীৰ মৃত্যু হৈছে। তাৰ পিছৰ পৰাই তেখেতৰ অসুখ বাঢ়ি যায়। আগৰে পৰাই হৃদয়ৰোগত আক্রান্ত আছিল। মই জলছালৈ আহিবলৈ কৈছিলো। তেখেতে ইয়াত অহাৰ পিছত শাৰিৰীক অৱস্থা ভাল হৈছিল আৰু বৰ আনন্দেৰে মুখ খন ভৰ পুৰ আছিল। প্রত্যেক ৰাতিত মোক লগ ধৰিবলৈ আহিছিল।

মকৰৰমা ফোজিয়া শ্বমিম চাহিবা (সদৰ লাজনা লাহোৰ) কয় যে; (এইজনী হজৰত মছিহ মাওউদ (আঃ) ৰ নাতিনী, হজৰত নোৱাব আমতুল হাফিজ চাহিবাৰ জীয়েক) মৰহুম নাজিৰ আলা হোৱাৰ পিছত তেখেতৰ গুণাৱলী সমুহ দৃষ্টি গোচৰ হয়। বিনম্র ধর্ম সেৱক আছিল তেখেত। মই বিভিন্ন কামত তেখেতক ফোন কৰিছিলো। যদি কোনো মিটিংত বহিছিল তেন্তে পিছত আকৌ ফোন কৰি লৈছিল। তেখেতৰ দৰে সহানুভুতিশীল লোক মই দেখা নাই। মই যেতিয়া তেখেতৰ পৰা কোনো পৰামর্শ বিচাৰিছো মোক বৰ শুদ্ধ পৰামর্শ দিছে। বৰ দোৱা কৰোঁতা আছিল তেখেত।

চৌধুৰী হামিদুল্লাহ চাহাবে (অকিলে আলা তেহেৰিকে জাদিদ) কয় যে, যেতিয়া তালিমুল ইছলাম কলেজ লাহোৰৰ পৰা ৰাবোৱালৈ ১৯৫৪ চনত স্থানান্তৰিত হয় তেতিয়া ইংৰাজী বিভাগৰ অ-আহমদী শিক্ষক জন লাহোৰত থাকি যায় ৰাবোৱালৈ নাহে। ইয়াৰ পিছত মৰহুম খোৰশিদ আহমদ চাহাবে ১৯৫৬ চনৰ পৰা ইংৰাজী বিভাগটো নতুনকৈ গঠিত কৰি পঢ়াবলৈ লয়। ইংৰাজীত তেখেত অগাধ ব্যুৎপত্তি আছিল।

ওলিয়া বিভাগত কাম কৰোঁতা খোৱাজা মোজাফৰ চাহাবে কয় যে মৰহুম বৰ ধৈর্য্য আৰু সাহসেৰে নিজৰ অসুখৰ লগত যুজঁ দি গৈছিল। তেখেত বৰ দয়ালু দেউতাক আৰু সকলোৰে বাবে কোমল হৃদয় আৰু মানৱ সেৱাৰ শীর্ষ স্থান দখল কৰিছিল। যেতিয়া কোনো বিপদ গ্রস্থ মানুহ আহিছিল তেখেতক সাক্ষাৎ কৰোৱা হৈছিল তেখেতে সেই মানুহজনক সকলো বন্দোৱস্ত কৰি দিয়াৰ অনুমতি দিছিল। মাজে সময়ে মোক এনেকুৱা বিপদগ্রস্থ সকলৰ ঘৰলৈ গৈ সকলো অৱস্থা জানিবলৈ দিছিল আৰু তেখেতক আহি জনাবলৈ কৈছিল। যেতিয়া পিছ দিনা আহি মই সকলো বিৱৰি জনাইছিলো তেতিয়া কৈছিল যে মোৰ মনত উদয় হৈছিল মানুহজন বৰ অভাৱী সেই অনুয়ায়ী সহায় কৰা নহয়। তেখেতে সদায় বৰ ধৈর্য্য সহকাৰে সকলোৰে কথা শুনিছিল, অভিযোগ, আপত্তি শুনিলৈ বৰ মৰমেৰে বুজাই দিছিল। এনেদৰে ধৈর্য্য সহকাৰে লোকৰ কথা শুনা সকলো পদবীদাৰী সকলৰ বাবে ফৰজ। এনেদৰে বহুতো সমস্যা সহজতেই সমাধান হৈ পৰে।

তেখেতৰ স্মৰণ শক্তি বৰ প্রখৰ আছিল। চিন্তা শক্তিও আছিল বৰ তীক্ষ্ণ। কেতিয়াবা এনেকুৱা হৈছিল যে কোনো কোনো দৰ্খ্যস্ত মাহজুৰি ফাইলত পৰি থাকিছিল। পিছত সেই দৰ্খস্ত কাৰীয়ে সুধিলে কমপিউটাৰত বিচৰাৰ আগতেই নিজেই সেই সম্পর্কে জনাই দিছিল যে এয়া হৈছে, সেয়া হোৱা নাই বা কি কাগজ বা কত আছে আদি। মুঠতে তেখেতৰ অফিচৰ ফাইলৰ সকলো তেখতৰ মনত থাকিছিল।

খোশাব জিলাৰ আমিৰ চাহাবে কয় যে; এয়া অনুমান ২০১৫ চনৰ প্রথম ভাগৰ কথা। মই মোৰ অফিচত বহি আছিলো এনেতে দুজনী দৰিদ্র মহিলা আহি মোক জনায় যে নাজিৰ আলা চাহাবে তেওঁলোকক ইমদাদৰ দৰ্খাস্ত মই অনুমোদন কৰি দিব লাগে। মই মহিলা দুজনীক সোধ-পোছ কৰি জিলা তৰফৰ পৰা ইমদাদ দিয়াৰ ব্যাৱস্থা কৰো আৰু মহিলা দুজনীক জিলা অমুৰ আমআৰ ছেক্রেটাৰীৰ ওচৰলৈ পঠাই দিওঁ আৰু সিহঁতে ইমদাদ লৈ যায়। পিছ দিনা মই মোৰ অফিচত বহি থকা অৱস্থাত নাজিৰ আলা চাহাবৰ ফোন আহে। ফোনত মোক সুধে যে যোৱা কালি দুজনী মহিলাক আপোনাৰ ওচৰলৈ পঠাইছিলো দৰ্খাস্ত অনুমোদনৰ বাবে কিন্তু তেওঁলোকে ঘুৰি মোৰ ওচৰলৈ এতিয়ালৈকে অহা নাই, মোৰ অলপ অথিৰ অনুভৱ হৈছে আপুনি সিহঁতক ঘুৰাই পঠালে নেকি। গতিকে তেওঁলোকক অনুমোদন দি মোৰ ওচৰলৈ পঠাই দিয়ক যাতে সিহঁতে সময়মতে ইমদাদ লাভ কৰিব পাৰে। মই মিয়া চাহাবক জনাওঁ যে মহিলা দুগৰাকীক জিলা তৰফৰ পৰা ইমদাদ দি দিয়া হৈছে গতিকে দ্বিতীয়বাৰ আপোনালৈ ঘুৰাই পঠোৱা হোৱা নাই। এই সৰু ঘটনাটোৰ পৰা মৰহুমৰ দুখীয়াৰ প্রতি দয়া আৰু মানৱ সেৱাৰ সৰু কামৰ প্রতি দৃষ্টি ৰখাটো তেখেতৰ দৰে ডাঙৰ ব্যক্তিত্বৰ বাবে অন্যতম গুণাৱলীৰ সৌন্দর্য। এনেকুৱা আত্মজ্ঞান, বোধ আমাৰ প্রত্যেক পদবীদাৰী সকলৰ মাজত থকা উচিত। সকলো কাম আঁতি-গুৰি মাৰি সমাধান কৰিব লাগে। যেতিয়ালৈ কোনো সমস্যা এটা সমাধান নহয় সেয়া এৰি থব নালাগে বৰং সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে। যদি এনেকুৱা অভ্যাস প্রত্যেক পদাধি কাৰীৰ মাজত জন্ম লয় তেন্তে বহুত সমস্যা এনেয়ে দুৰ হৈ যাব।

হাফিজ মোজাফৰ আহমদ চাহাবে লিখিছে যে; তেখেতে বাজমাত নমাজৰ ক্ষেত্রত এটা সুন্দৰ আদর্শ এৰি থৈ গৈছে। সদৰ আনছাৰউল্লাহ থকা কালত প্রত্যেক মিটিংত তেখেতে বাজমাত নমাজৰ প্রতি মনযোগ আকৰ্ষণ কৰি কৈছিল যে আপোনালোকে কব

পাৰে যে এটা কথাত সদায় কিয় লাগি থাকিব লাগে। কিন্তু মই কি কৰিম। যেতিয়ালৈকে এই জিম্মাদাৰীৰ হ'ক আদায় নহয় মই আপোনালোকক মনত পেলাই দিব লাগিব। মই দেখিবলৈ পাওঁ যে কিছুমান পদবীদাৰ সকলে বাজমাত নমাজৰ পৰা পৃথকে থাকে আৰু মাজে সময়ে নমাজও এৰি দিয়ে।

মালিক মহম্মদ আফজাল চাহাবে (মুৰব্বী ছিলছিলা) কয় যে, মৰহুম সদায় মছজিদত মূৰনত কৰি বহিছিল, ৰমজান মাহত আছৰ নমাজৰ পিছত মছজিদত কোৰ'আন কৰিমৰ দৰছ দিছিল। যদি কোনোবাই কোনো মছলা সুধিছিল তেন্তে বৰ হাহি মুখেৰে সেই মছলা সম্পৰ্কে বুজাই দিছিল। মই জামিয়াত পঢ়ি থকা অৱস্থাত এবাৰ বৰ সমস্যাৰ সন্মুখীন হৈছিলো। কি কৰিম বা কি নকৰিম একো বুজি পোৱা নাছিলো। মোৰ দোৱা কৰাই আছিল সেই সমস্যা সমাধানৰ উপায়। মই এই বিষয় মনত লৈ মকৰম খোৰশিদ আহমদ চাহাবৰ ওচৰত তেখেতৰ অফিচলৈ গলো। বহুত ব্যাস্ততাৰ মাজতো তেখেতে মোক তেখেতৰ কোঠালৈ মাতি লৈ গল। তেখেতে মোক বুজাই পৰাই বহুত পৰামৰ্শ দিলে, ভালেখিনি সময় মোৰ লগত কটালে। তাৰ পিছত যেতিয়া মই তেখেতৰ অফিচৰ পৰা ওলালো তেতিয়া চিন্তা বহুত কমিগল, মনটো ফৰকাল লাগিল। যিয়েই নহওক এয়া হ'ল প্ৰশান্তি, প্ৰত্যেক পদবীদাৰ সকলে বেলেগক এনে শান্তি উপলব্দি কৰোৱাটো ফৰজ কৰি লোৱা উচিত।

মাছুদ চাহাব (মুৰব্বী ছিলছিলা) কয় যে, মৰহুম মিয়া চাহাবৰ সৈতে মোৰ কেইবাবাৰ দেখা হৈছে। প্ৰত্যেক বাৰেই তেখেতক মই মৰম চেনেহৰ ব্যাকুল এক সাগৰ সদৃশ দেখিছো। তেখেত প্ৰত্যেকৰ সৈতে আত্মীয় সদৃস ভালপোৱাৰ উচ্চ চৰিত্ৰৰ গৰাকী আছিল। বিনম্ৰতাৰ মুৰ্ত্তিমান প্ৰতীক আছিল তেখেত। অফিচত ল'গ ধৰিবলৈ অহা প্ৰত্যেক সৰু-ডাঙৰ আসনৰ পৰা উঠি ছালাম কৰি হাত মুচাফা কৰিছিল। লগতে নিজৰ কাম স্থগিত কৰি তাৰ ওচৰত বহি তাৰ কথা শুনিছিল। সেই কাৰণে প্ৰায় সকলোৰে তেখেতৰ ওচৰলৈ অভিযোগ লৈ আহিছিল। তেখেতে অফিচত ধনী-গৰীব, পদবীদাৰ, সাধাৰণ আহমদী সকলোৰে সৈতে সজ আচৰণ কৰিছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মই কেই বছৰমান আগত হজৰত মছিহ মাওউদ (আঃ) ৰ বংশধৰ সকললৈ এখন চিঠি লিখিছিলো তাত তেওঁলোকক তেওঁলোকৰ দায়িত্বৰ প্ৰতি মনযোগ আকৰ্ষণ কৰিছিলো। কিছুমান অভিযোগ, যি মোলৈ আহিছিল সেই বোৰ সাধাৰণতে দুৰ কৰিবলৈ উপদেশ দিছিলো। সেই পত্ৰ যেতিয়া মই পাকিস্থানলৈ পঠাইছিলো তেতিয়া উক্ত মৰহুমৰক কৈছিলো যে মছিহ মাওউদ (আঃ) ৰ বংশ ধৰ সকলক এঠাইত মাতি আনি মোৰ এই পত্ৰ পঢ়ি শুনাই দিয়া। তেখেতে যেতিয়া সেই পত্ৰ বংশধৰ সকলৰ সন্মুখত পঢ়ি শুনাইছিল তেতিয়া বৰ আক্ষেপ আৰু ব্যকুলতাৰে কৈছিল যে মই স্পষ্ট ভাৱে কৈছো যে মোৰ সন্তান সকলেও এইবোৰ বস্তুৰ পৰা পাক নহয়, যাৰ বিষয়ে চিঠিত উল্লেখ কৰা হৈছে। মই সিহঁতক আৰু সিহঁতৰ সন্তান সকলক উপদেশ দিওঁ যে এই দুৰ্বলতাবোৰ আমি দুৰ কৰিব লাগিব। খলিফা ওয়াক্তই আমাৰ পৰা যি আশা কৰিছে তাৰ ওপৰত আমি আমল কৰিবলৈ চেষ্টা কৰা উচিত। যিয়েই নহওক এয়াই আছিল তেখেতৰ সত্যতা আৰু তাকওয়াৰ মান।

মকৰম মিৰ্জা আনিছ আহমদ চাহাবে লিখিছে যে, ভাই খোৰশিদ গোটেই জীৱণ খিলাফতৰ ছায়াত থাকি মৃত্যুৰ দিনলৈকে ছিলছিলাৰ খিদমত কৰি গ'ল। আল্লাহ তায়লা তেখেতৰ মৰ্যদা উন্নীত কৰক। ৰহমতৰ ছায়াত স্থান দিয়ক। তেখেতে নিজৰ হ'কপূৰ্ণ কৰি দিছে। এয়া তেওঁ সম্পূৰ্ণ শুদ্ধ লিখিছে যে নিশ্চয় মৰহুম নিজৰ হ'ক পূৰ্ণ কৰি দিছে। আল্লাহ তায়লা আমাক নিজৰ নিজৰ হ'ক পূৰ্ণ কৰাৰ তৌফিক দান কৰক। নমাজৰ পিছত মৰহুম খোৰশিদ আহমদৰ জানাজা গায়েব পঢ়া হ'ব। ইনশা আল্লাহ। আল্লাহ তায়লা জমাতক আনুগত্যশীল, তাকওয়া দাৰ সহায়-সহযোগী দান কৰি থাকক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 19 January 2018**

## BOOK POST (PRINTED MATTER)

**To**

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

--------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**